**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া বিয়লি ৫ বজালৈকে চলিব। ভোটগ্ৰহণৰ সময়ছোৱাত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে নিৰ্বাচন আয়োগে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ চামগুৰি সমষ্টিত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ব্যাপক হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিযুক্ত কৰা হৈছে। আন চাৰিটা সমষ্টিৰ স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটগ্ৰহণ কেন্দ্ৰসমূহতো সশস্ত্ৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে।

চিদলী সমষ্টিৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ কেন্দ্ৰ হিচাপে চিনাক্ত কৰা হৈছে। ইয়াৰে ৯টা ভোটগ্ৰহণ কেন্দ্ৰ কোকৰাঝাৰ জিলাৰ অন্তৰ্গত। সমষ্টিটোৰ দুটা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰূপে চিহ্নিত কৰা হৈছে আৰু এই কেন্দ্ৰ দুটাৰ ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকলৰ আটায়েই মহিলা।

বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিত মুঠ এহেজাৰ ৭৮টা কেন্দ্ৰত ভোটগ্ৰহণ চলি আছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিত ১১ গৰাকী, চিদলীত ৩ গৰাকী, বিহালীত ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে এইবাৰ শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং সংমণ্ডলৰ অধীনৰ দিহাকো আৰু মুপা অংশত ৰে'লপথৰ মেৰামতিৰ বাবে আজি ১৫৬১৭ নম্বৰ গুৱাহাটী- দুৰ্লভচেৰা, ১৫৬১৮ নম্বৰ দুৰ্লভচেৰা-গুৱাহাটী আৰু গুৱাহাটী আৰু বদৰপুৰৰ মাজত চলাচল কৰা ১৫৮৭৮ আৰু ১৫৮৮৮ ৰে'লগাড়ী কেইখনৰ যাত্ৰা বাতিল কৰা হৈছে। ইয়াৰ উপৰি কাৰিকৰী কাৰণত আজি, কাইলৈ আৰু পৰহিলৈ গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বিশেষ ৰে'লগাড়ী দুখনৰ যাত্ৰাও বাতিল কৰা হৈছে বুলি ৰে'ল বিভাগৰ এখন বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে।

০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত অহা ১৫ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱ উদযাপনৰ বাবে সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই উপলক্ষে স্থানীয় ৰংগমঞ্চত ৰাসৰ অন্তিম আখৰাত স্থানীয় শিল্পী, কলা-কুশলীসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি নগৰখনৰ সমীপৰ বেতবাৰী, জয়সাগৰ, কালুগাঁও, জাঁজী, ফুলপানী ছিগা, শ'লগুৰি, আখৈফুটীয়া আদি আঞ্চলতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰাইজে ৰাস উৎসৱৰ প্ৰস্তুতি চলাইছে।

০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা কৰা হৈছে। কালি বিয়লি অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন বৈঠকৰ সামৰণিত সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই সভাপতি পদৰ বাবে উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চূড়ান্ত কৰা এই পাঁচজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। তেওঁলোক হৈছে – অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা সাহিত্যিক বসন্ত কুমাৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক,  সাহিত্যিক ড° গোবিন্দ প্ৰসাদ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, গৱেষক ড° উপেন ৰাভা হাকাচাম, প্ৰথিতযশা ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড° ভীমকান্ত বৰুৱা।

অসম সাহিত্য সভাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে উপ-সভাপতি পদত ড০ বিপিন চন্দ্ৰ কলিতা, পদুম ৰাজখোৱা আৰু চহিৰ ভূঞা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। প্ৰধান সম্পাদকৰ পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু সঞ্জীৱ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

মঙলদৈ ইউনাইটেড ক্লাব নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ বেনাৰত ৰাইজৰ দান বৰঙণিৰে নিৰ্মিত আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত পৰিৱেশ সংৰক্ষণমূলক অসমীয়া বোলছবি **অৰণ্য** প্ৰদৰ্শনৰ কালি ৫৩ বছৰ পূৰ্ণ হয়। ইয়াৰ লগত সংগতি ৰাখি দৰং জিলাৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান জিপচী গিল্ডৰ উদ্যোগত **অৰণ্য বোলছবি কিয় অসমীয়া ধ্ৰুপদী ছবিৰ শাৰীলৈ উন্নীত কৰিব পাৰি** শীৰ্ষক বিষয়ত ৰাজ্যিক ভিত্তিত আয়োজন কৰা প্ৰবন্ধ প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক কালি সন্ধিয়া পুৰস্কৃত কৰা হয়। গিল্ডৰ মঞ্চত আয়োজন কৰা অৰণ্যৰ দিন শীৰ্ষক এটা অনুষ্ঠানত মঙলদৈৰ পুলিন ডেকাক প্ৰথম পুৰস্কাৰ আৰু গুৱাহাটী ৰবেন্দ্ৰ কুমাৰ দাসক দ্বিতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰি মঙলদৈৰ আব্দুল মালিকলৈ বিচাৰকৰ বিশেষ পুৰস্কাৰ আগবঢ়োৱা হয়।

০০০০০০

**সমাপ্ত**